Total No. of printed pages = 10

**63/2 (SEM-3) ASM 305, 306, 3.04(A,B)**

**2021**

(held in 2022)

**ASSAMESE**

(Theory Paper)

Paper Code : ASM-305 DSE

**(Introduction to Comparative Literature)**

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। চমুটোকা লিখা (যি কোনো চাৰিটা) ঃ ৫×৪=২০

(ক) তুলনামূলক সাহিত্যৰ ফ্ৰান্স সংহতি

(খ) লহ্না সিং

(গ) আধুনিক বাংলা কবিতা আৰু বুদ্ধদেৱ বসু

(ঘ) বল্লালী-বালাই

[Turn over

(ঙ) “মৌন নিমন্ত্রণ” কবিতাত ৰহস্যবাদী ভাৱধাৰাৰ প্ৰতিফলন

(চ) “আত্মসৰ্বস্ব” গল্পৰ শৰ্বৰী চৰিত্ৰ।

তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

২। ভাৰতীয় সাহিত্যত ভাৰতীয়ত্বৰ ধাৰণা কিদৰে ঘটিছে, আলোচনা কৰা। ১০

৩। “গণতন্ত্ৰ কা জন্ম” কবিতাটোত জাতীয়তাবাদী ভাৱধাৰা কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰি সমধৰ্মী অসমীয়া কবিতা এটাৰ সৈতে তুলনা কৰি দেখুওৱা। ৭+৩=১০

৪। “বনলতা সেন” কবিতাত কবিৰ ইতিহাস-চেতনা, প্ৰকৃতি-চেতনা আৰু ইন্দ্ৰিয়-চেতনাৰ প্ৰকাশ কিদৰে ঘটিছে আলোচনা কৰি সমধৰ্মী অসমীয়া কবিতা এটাৰ লগত তুলনা কৰি দেখুওৱা। ১০

৫। “গোদান” ঔপন্যাসিকৰ জীৱনযোৱা অনুভৱৰ সাৰতত্ত্ব, য'ত ভাৰতীয় জীৱনবোধ আৰু মানবীয় দৃষ্টিভংগীৰ পৰিচয় পোৱা যায়।” মন্তব্যটিৰ যথাৰ্থতা প্ৰতিপন্ন কৰি এই উপন্যাসখনৰ লগত সাদৃশ্য থকা অসমীয়া উপন্যাস এখনৰ লগত এক তুলনাত্মক আলোচনা আগবঢ়োৱা। ১০

তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৫×২=৩০

৬। তুলনামূলক সাহিত্যৰ চমু পৰিচয়সহ সাম্প্ৰতিক প্ৰেক্ষাপটত তুলনামূলক সাহিত্য অধ্যয়নৰ প্ৰত্যাশা আৰু সংকট সম্পৰ্কত এটি চিন্তাকৰ্ষক আলোচনা যুগুত কৰা। ৩+১২=১৫



৭। “কাবুলিৱালা” ছুটি গল্পত পিতৃ-হৃদয়ৰ চিৰন্তন অনুভৱৰ কিদৰে প্ৰকাশ ঘটিছে আলোচনা কৰি সমধৰ্মী অসমীয়া গল্প এটাৰ লগত এক তুলনাত্মক আলোচনা আগবঢ়োৱা। ১৫

৮। বিভূতিভূষণ বন্দোপাধ্যায়ৰ “পথেৰ পাঁচালী” উপন্যাসত গাঁৱৰ জীৱন কেনেদৰে প্ৰতিফলিত হৈছে ? লগতে উপন্যাসখনত ঔপন্যাসিকৰ জীৱনবোধ কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰি সমধৰ্মী অসমীয়া উপন্যাস এখনৰ লগত এক তুলনা দাঙি ধৰা। ৮+৭=১৫

(Theory Paper)

Paper Code : ASM-306

**(Comparative and Contrastive Linguistic Study of the Languages of Assam)**

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। চমুটোকা লিখা (যি কোনো চাৰিটা)ঃ ৫×৪=২০

(ক) তুলনামূলক ভাষাবিজ্ঞানৰ পদ্ধতি

(খ) ভাষাৰ প্ৰান্তিকান্তৰীয় অধ্যয়ন (Cross Linguistic Study)

(গ) উড়িয়া ভাষাৰ কাৰক আৰু শব্দবিভক্তি

(ঘ) ৰাভা ভাষাৰ সংখ্যাবাচক শব্দ

(ঙ) টাই-আহোম ভাষা।

তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঃ ১০×৩=৩০

২। ভেদাত্মক ভাষাবিজ্ঞান (Contrastive Linguistics) কি ? ভেদাত্মক ভাষাবিজ্ঞানৰ কঠোৰ প্ৰৰূপ (Stronger Version) সম্পৰ্কে আলোচনা আগবঢ়োৱা। ২+৮=১০



৩। অসমীয়া আৰু বাংলা ভাষাৰ দ্বিৰুক্তিবাচকতাৰ এটি তুলনা উদাহৰণসহ দাঙি ধৰা। ১০

৪। অসমীয়া আৰু উড়িয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ তুলনা কৰি অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ স্বকীয়তা প্ৰতিপন্ন কৰা। ১০

৫। অসমত প্ৰচলিত তিব্বত-বৰ্মী আৰু টাই-চীনীয় ভাষাবোৰৰ মাজত পৰিলক্ষিত হোৱা সাধাৰণ সাদৃশ্য-বৈসাদৃশ্যসমূহ উল্লেখ কৰা। ১০

তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঃ ১৫×২=৩০

৬। তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics) কাক বোলে ? তুলনামূলক ভাষাবিজ্ঞান চৰ্চাৰ সূচনা আৰু বিকাশ সম্পৰ্কে এটি পৰ্যালোচনা প্ৰস্তুত কৰা। ৩+১২=১৫

৭। অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জনধ্বনিৰ আদ্য আৰু অন্ত্য স্থানত প্ৰয়োগ দেখুৱাই এটি তুলনামূলক আলোচনা আগবঢ়োৱা। ১৫

৮। অসমীয়া আৰু বৰো/ৰাভা/কাৰ্বি (যি কোনো এটা) ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্ৰয়োগৰ বৈচিত্ৰতাসমূহ বিচাৰ কৰা। ১৫

(Theory Paper)

Paper Code : ASM 3.04 (A) Old

**(Introduction to Comparative Literature)**

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। চমুটোকা লিখা (যি কোনো চাৰিটা)ঃ ৫×৪=২০

(ক) তুলনামূলক সাহিত্যৰ ভাৰতীয় সংহতি

(খ) আত্মসৰ্বস্ব গল্পৰ 'শৰ্বৰী' চৰিত্ৰ

(গ) আধুনিক বাংলা কবিতা আৰু জীৱনানন্দ দাশ

(ঘ) ৰবীন্দ্ৰনাথ ঠাকুৰ

(ঙ) গোদান উপন্যাসৰ 'গোবৰ' চৰিত্ৰ

(চ) 'মৌন নিমন্ত্ৰণ' কবিতাত প্ৰতিফলিত ৰহস্যবাদ।

যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখাঃ ১০×৩=৩০

২। তুলনামূলক সাহিত্য অধ্যয়নৰ বিভিন্ন পদ্ধতি সমূহৰ বিষয়ে এক আলোচনা আগবঢ়োৱা। ১০



৩। 'উসনে কহা থা' গল্পত দেশপ্ৰেম আৰু ব্যক্তিগত প্ৰেমৰ স্ফুৰণ কেনেদৰে ঘটিছে আলোচনা কৰি সমধৰ্মী অসমীয়া গল্প এটিৰ লগত তুলনা কৰি দেখুওৱা। ৬+৪=১০

৪। বুদ্ধদেৱ বসুৰ "সাগৰদোলা" কবিতাটোত ইন্দ্ৰিয়জ প্ৰেমৰ উপস্থাপন কেনেদৰে কৰা হৈছে আলোচনা কৰা। লগতে সমধৰ্মী অসমীয়া কবিতা এটাৰ সৈতে তুলনা কৰি দেখুওৱা। ৬+৪=১০

৫। 'গোদান' উপন্যাসৰ নাৰী চৰিত্ৰ সমূহৰ বিষয়ে এক আলোচনা আগবঢ়োৱা। অসমীয়া উপন্যাসত এনেধৰণৰ চৰিত্ৰ দেখা পোৱা যায়নে ? ৬+৪=১০

তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঃ ১৫×২=৩০

৬। ৰবীন্দ্ৰনাথ ঠাকুৰৰ "ছুটি" গল্পৰ যোগেদি শিক্ষ মনস্তত্ত্ব আৰু শিক্ষা মনস্তত্ত্বৰ প্ৰকাশ কিদৰে ঘটিছে আলোচনা কৰি সমধৰ্মী অসমীয়া গল্প এটিৰ সৈতে তুলনা কৰি দেখুওৱা। ১৫

৭। তুলনামূলক ভাৰতীয় সাহিত্যৰ সংকট আৰু সম্ভাৱনা সম্পৰ্কে এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা। ১৫

৮। পথেৰ পাঁচালী উপন্যাসখনৰ নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰি উপন্যাসখনৰ "বল্লালী বালাই" শীৰ্ষক অধ্যায়টোৰ গুৰুত্ব দাঙি ধৰা। ৫+১০=১৫

(Theory Paper)

Paper Code : ASM 3.04 (B) Old

**(Study on Pali-Prakrit-Apabhramsa Language and Literature)**

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। চমুটোকা লিখা (যি কোনো চাৰিটা)ঃ ৫×৪=২০

(ক) মাগধী প্রাকৃত

(খ) পালি-প্রাকৃতৰ লিংগ প্রকৰণ

(গ) অপভ্রংশ

(ঘ) সন্দেশ-ৰাসক

(ঙ) ৰাজশেখৰ।

তলৰ যি কোনো তিনিটা প্রশ্নৰ উত্তৰ লিখাঃ ১০×৩=৩০

২। 'সাহিত্যিক প্রাকৃত কেইটাৰ ভিতৰত মহাৰাষ্ট্রী প্রাকৃতক শ্রেষ্ঠ প্রাকৃত বোলা হয়'— ইয়াৰ কাৰণ ব্যাখ্যা কৰি মহাৰাষ্ট্রী প্রাকৃতৰ প্রধান বৈশিষ্ট্য ছটা উদাহৰণসহ লিখা। ১০



200

৩। অশোকৰ-অনুশাসন বুলিলে কি বুজা ? এই অনুশাসনসমূহক কেইটা ভাগত ভগোৱা হৈছে উল্লেখ কৰি সেইবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা। ২+৮=১০

৪। পালি ভাষাৰ উদ্ভৱস্থল সম্পৰ্কে বিভিন্ন ভাষাপণ্ডিতে আগবঢ়োৱা অভিমতবোৰৰ তাৎপৰ্য বিচাৰ কৰা। ১০

৫। ধম্মপদৰ লগত ত্রিপিটকৰ সম্বন্ধ কি ? ধম্মপদৰ ৰচনাকাল আৰু বিষয়বস্তুৰ এটি চমু আভাস দাঙি ধৰা। ৩+৭=১০

৬। তলৰ যি কোনো ছটা অংশ অসমীয়ালৈ অনুবাদ কৰাঃ

$২\frac{১}{২}×৬=১৫$

(ক) ইয়ং ধংম-লিপি দেৱানং প্রিয়েন প্রিয়দসিন্যা ৰাঞা লেখাপিতা। ইধ ন কিংচি জীৱং আৰভিত্পা প্রজূহিতব্যং।

(খ) ন ভজে পাপকে মিত্তে ন ভজে পুৰিসাধমে।
ভজেথ মিত্তে কল্যাণে ভজেথ পুৰিসুত্তমে।।

(গ) উদকং হি নয়ন্তি নেত্তিকা উসুকাৰা নময়ন্তি তেজনং।
দাৰু নময়ন্তি তচ্ছকা অত্তানং দময়ন্তি পণ্ডিতা।।

(ঘ) সত্তসআইং কই-বচ্ছলেণ কোডীঅ মজ্ঝআৰম্মি।
হালেণ বিৰইআইং সালংকাৰাণং গাহাণং।।

(ঙ) অজ্জ মত্র তেণ বিনা অণুহূঅ-সুহাইং সংভৰন্তীএ।
অহিণৰ মেহাণং ৰৱো নিসামিও বজঝ-পডহোব্ব।।

(চ) সব্‌ভাৱণেহ ভৰ্‌িএ ৰত্তে ৰজ্জিজ্জইত্তি জুত্তমিণং।
অণহিঅএ উণ হিঅঅং জং দিজ্জই তং জনো হসই।।

(ছ) ফুসই লোয়ণ ৰুব্বই দুকখত,
ধম্মিল্লপমুক্কমুহ বিজ্জম্ভই অনু অংগু মোড়ই।

(জ) তং জি পহিয় পিক্‌খেৰিণু পিঅউক্কং খিৰিঅ,
মংথৰগয় সৰলাইৰি উত্তাৱলি চলিয়।

তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঃ ১৫×২=৩০

৭। মধ্যভাৰতীয় আৰ্য ভাষাক বহুলভাৱে 'প্ৰাকৃত' ভাষা কিয় বোলা হয় ? এই প্ৰাকৃতৰ স্তৰ-বিভাজন কৰি প্ৰতিটো স্তৰৰ পাঁচটাকৈ ভাষিক বৈশিষ্ট দেখুৱাই এটি আলোচনা কৰা। ৩+১২=১৫

৮। সংস্কৃত আৰু পালি-প্ৰাকৃত ভাষাৰ ব্যঞ্জনধ্বনিৰ দুখন তালিকা প্ৰস্তুত কৰি সংস্কৃত ব্যঞ্জনধ্বনিসমূহক পালি-প্ৰাকৃতত হোৱা পৰিবৰ্তন সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ১৫